বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## হজৰত মছীহ মাওউদ (আঃ) ৰ নম্ৰতা আৰু বিনয়ৰ ঘটনাসমূহ আৰু নিজৰ জামাতক নম্ৰতা আৰু বিনয় অৱলম্বন কৰাৰ প্ৰতি উপদেশ

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهٗ لَا شَرِيْكَ لَهٗ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ২৯ মে ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবদ (ইউ,কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে,

আজি মই আঁহজৰত চাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ দাসত্বত হজৰত মছীহ মাওউদ আলাইহিচ্ছালামৰ নম্ৰতা আৰু বিনয়ৰ ঘটনাসমূহ আৰু নিজৰ জামাতক নম্ৰতা আৰু বিনয় অৱলম্বন কৰিবলৈ দিয়া উপদেশৰ বিষয়ে কিছু বৰ্ণনা কৰিম। তেখেত (আঃ)ৰ নম্ৰতাক চাই স্বয়ং আল্লাহ তা'লাই ইয়াৰ প্ৰমাণপত্ৰ তেখেতক প্ৰদান কৰিছে। ১৮ মাৰ্চ ১৯০৭ চনত তেখেত (আঃ)ৰ ওপৰত ইলহাম (ঐশ্বৰিক প্ৰকাশ) হৈছিল যে, তোমাৰ নম্ৰতাপূৰ্ণ পথসমূহ তেওঁৰ পছন্দ হৈছে। হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে কৈছে যে, এই অধমৰ ওপৰত প্ৰকাশ কৰা হৈছে যে, মই নিজৰ দৰিদ্ৰতা, বিনয়, ভৰসা, ত্যাগ, আৰু অলৌকিক চিন আৰু পোহৰৰ দৃষ্টিৰে মছীহৰ প্ৰথম জীৱনৰ আদৰ্শ। এই নম্ৰজনৰ প্ৰকৃতি আৰু মছীহৰ প্ৰকৃতি পৰস্পৰ অতিশয় সাদৃশ্যপূৰ্ণ, যেন একেটা বস্তুৰে দুটা টুকুৰা বা একেটা গছৰে দুটা ফল আৰু এনে এক মিলনৰ দৰে যে কাশফী (আধ্যাত্মিক) দৃষ্টিত অতি সূক্ষ্ম পাৰ্থক্যহে আছে আৰু বাহ্যিকভাৱেও এটা সাদৃশ্য আছে, সেয়া হ'ল এই যে— মছীহ এজন নিখুঁত আৰু মহান নবী অৰ্থাৎ মুছাৰ অনুগামী আৰু ধৰ্মৰ সেৱক আছিল আৰু তেওঁৰ ইঞ্জিল আছিল তৌৰাতৰ এক শাখা; আৰু এই নম্ৰজনো সেই জলিল-উশ-শ্বান (মহান) নবীৰ এজন নগণ্য সেৱক, যিজন ছৈয়দুৰ ৰুছুল (ৰছুলসকলৰ নেতা) আৰু সকলো নবীৰ মুকুটস্বৰূপ।

এবাৰ এজন ব্যক্তিয়ে হজৰত মছীহ মাওউদ (আঃ)ক কলে যে, হুজুৰে হাকিকাতুল ৱহী (Haqiqatul Wahi) লিখা আৰু প্ৰুফসমূহ বাৰে বাৰে পঢ়াত বৰ কষ্ট পাইছে, সেইবাবে হুজুৰৰ শৰীৰো বেয়া হৈ আছিল। সেয়েহে এতিয়া কিছু দিন হুজুৰ সম্পূৰ্ণৰূপে আৰাম কৰক। হুজুৰে উত্তৰ দিলে আমাৰ পৰিশ্ৰম বাৰু কি, যেতিয়া আমি চাহাবাসকল (ৰিজৱানুল্লাহি আলাইহিম)ৰ পৰিশ্ৰমৰ ফালে চাওঁ, আমাৰ লাজ লাগে যে কেনেকৈ তেওঁলোকে আনন্দৰে খোদাৰ পথত নিজৰ মূৰো কটাই দিছিল।

এঠাইত তেখেত (আঃ)এ কৈছে যে কম বুদ্ধিমান লোকসকলে আপত্তি কৰে যে মই মোৰ মৰ্যাদা সীমাতকৈ বেছি বঢ়াই দেখুৱাওঁ। মই আল্লাহৰ শপত খাই কওঁ যে মোৰ প্ৰকৃতি আৰু স্বভাৱত এইটো নাই যে মই নিজক কোনো প্ৰশংসাৰ আকাংক্ষী বুলি পাওঁ, আৰু নিজৰ মহত্ব প্ৰকাশ কৰি আনন্দিত হওঁ। মই সদায় নম্ৰতা আৰু অজ্ঞাতবাসৰ জীৱন পছন্দ কৰি আহিছোঁ, কিন্তু এইটো মোৰ নিয়ন্ত্ৰণ আৰু শক্তিৰ বাহিৰত আছিল যে আল্লাহ তা'লাই নিজেই মোক উলিয়াই আনিলে আৰু মোৰ ওপৰত নাজিল হোৱা তেওঁৰ কিতাপত মোৰ যিমান প্ৰশংসা আৰু মহত্ব প্ৰকাশ কৰিছে, এই সকলো প্ৰশংসা আৰু মহত্ব কেৱল হজৰত মহম্মদ চাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰে হয়।

এগৰাকী অষ্ট্ৰেলিয়ান নৱ-মুছলিম মহম্মদ আব্দুল হক চাহাবক তেখেত (আঃ)এ কৈছিল যে আমাৰ নীতিসমূহৰ ভিতৰত এটা এইটোও যে আমি সৰল জীৱন যাপন কৰোঁ। আজিকালি ইউৰোপে জীৱনৰ অপৰিহাৰ্য অংগ কৰি লোৱা সকলো কৃত্ৰিমতা আৰু আড়ম্বৰৰ পৰা আমাৰ মজলিচ (সভা) পবিত্ৰ। আমি কোনো প্ৰথা বা অভ্যাসৰ দাস নহয়... খোৱা-বোৱা আৰু উঠা-বহা সকলোতে আমি সৰল জীৱন পছন্দ কৰোঁ।

এঠাইত তেখেত (আঃ)এ কৈছে, নম্ৰতা অৱলম্বন কৰা উচিত, নম্ৰতা শিকাটো টান নহয়, ইয়াৰ শিকিবলগীয়া কি আছে। মানুহ দেখোন নিজেই নম্ৰ আৰু তেওঁলোকক নম্ৰতাৰ বাবেই সৃষ্টি কৰা হৈছে। কৈছে, ধন্য সেইসকল লোক যিসকলে নিজক আটাইতকৈ তুচ্ছ আৰু সৰু বুলি গণ্য কৰে আৰু লাজেৰে কথা পাতে... আৰু পৃথিৱীত নম্ৰতাৰে খোজ কাঢ়ে। গতিকে মই বাৰে বাৰে কওঁ যে এনেকুৱা লোকসকলৰ বাবেই মুক্তি সাজু কৰি ৰখা হৈছে।

হুজুৰ আনোৱাৰে কৈছে যে কিছুমান মানুহৰ জলছা (ধৰ্মীয় সভা)ৰ দিনবোৰত আগফালৰ চিয়াৰসমূহত বহাৰ ইচ্ছা থাকে বা গ্ৰীণ এৰিয়া আদিত বহাৰ ইচ্ছা থাকে। খলিফাৰ কথা ওচৰৰ পৰা শুনিবলৈ এই ইচ্ছা কৰাটো ঠিক আছে, কিন্তু কেতিয়াবা কেতিয়াবা ইয়াত অহংকাৰো সোমাই পৰে। এইটো হ'ব নালাগে। কিয়নো ইয়াৰ দ্বাৰা ব্যৱস্থাপকসকলৰ বাবে সমস্যাৰ সৃষ্টি হয়। হুজুৰে কৈছে মানুহে যেতিয়াই ক'ৰবালৈ যায়, তেতিয়া নিজৰ বাবে আটাইতকৈ তলৰ (সাধাৰণ) ঠাইখন বাছি লোৱা উচিত, আৰু যদি তেওঁ আন কোনো উন্নত স্থানৰ যোগ্য হয়, তেন্তে আয়োজকে নিজেই তেওঁক মাতি নি সেই স্থান দিব।

কৈছে, কোনো ব্যক্তিয়ে খোদাৰ প্ৰেম আৰু খোদাৰ সন্তুষ্টি লাভ কৰিব নোৱাৰে যেতিয়ালৈকে তেওঁৰ মাজত দুটা গুণ সৃষ্টি নহয়। প্ৰথম, অহংকাৰ ভাঙি পেলোৱা... দ্বিতীয়, তেওঁৰ আগৰ সেই সকলোবোৰ সম্পৰ্ক ভাঙি যোৱা... যিবোৰ অপবিত্ৰতা আৰু ঈশ্বৰৰ অসন্তুষ্টিৰ কাৰণ আছিল, সেই সকলোবোৰ ভাঙি যাব লাগে।

কৈছে, যিয়ে বয়াত (আনুগত্যৰ শপত)ৰ পিছতো নিজৰ স্বাৰ্থপৰতা আৰু অহংকাৰ ধৰি ৰাখে, তেওঁ কেতিয়াও আধ্যাত্মিক উপকাৰ লাভ কৰিব নোৱাৰে। তুমি যিমানেই কোমলতা অৱলম্বন কৰিবা আৰু যিমানেই নম্ৰতা আৰু বিনয় প্ৰকাশ কৰিবা, আল্লাহ তা'লা তোমাৰ ওপৰত সিমানেই সন্তুষ্ট হ'ব। মানুহ, যি এক অসহায় সৃষ্টি, নিজৰ কৰ্মৰ দুৰ্ভাগ্যবশতঃ নিজকে ডাঙৰ বুলি ভাবি লয়। এইটো কৰ্মৰ দুৰ্ভাগ্যই (পাপৰ পৰিণতি) যাৰ বাবে ডাঙৰ বুলি ভাবিবলৈ লোৱা মনোভাৱ সৃষ্টি হয়। অহংকাৰ আৰু দাম্ভিকতা তাৰ মাজলৈ আহে। আল্লাহৰ পথ যেতিয়ালৈকে মানুহে নিজকে আটাইতকৈ সৰু বুলি নাভাবে, তেতিয়ালৈকে সি মুক্তি লাভ কৰিব নোৱাৰে। পুনৰ নম্ৰতা অৱলম্বন কৰাৰ উপদেশ দি এটা প্ৰসংগত হজৰত মছীহ মাওউদ (আঃ)-এ কৈছে,

এতিয়াও জামাতত এনে বহু লোক আছে যিয়ে নিজৰ ইচ্ছাৰ বিৰুদ্ধে সামান্য কথা এটা শুনিলেই উত্তেজিত হৈ পৰে। অথচ এনে সকলো উত্তেজনা প্ৰশমিত কৰাটো অত্যন্ত প্ৰয়োজনীয়, যাতে স্বভাৱত ধৈৰ্য্য আৰু সহনশীলতা গঢ়ি উঠে। দেখা যায় যে এটা অতি সামান্য কথা লৈ তৰ্ক আৰম্ভ হ'লে এজনে আনজনক পৰাস্ত কৰাৰ চিন্তাত মগ্ন হয় যে মই কেনেকৈ বিজয়ী হ'ম। এনে সময়ত আত্মিক উত্তেজনাৰ পৰা আঁতৰি থাকিব লাগে আৰু বিবাদ দূৰ কৰাৰ বাবে সৰু

সৰু কথাত জানি-বুজি নিজেই নম্ৰতা স্বীকাৰ কৰি ল’ব লাগে। প্ৰতিযোগিতাত নিজৰ আনজন ভাইক হেয় প্ৰতিপন্ন কৰাৰ চেষ্টা কেতিয়াও কৰিব নালাগে।

যদি আমি আমাৰ জীৱনৰ পৰ্যালোচনা কৰোঁ, তেন্তে দেখিম যে এনে বহু লোক আছে যাৰ মাজত এই মিছা অহংকাৰ আৰু বিদ্বেষ ভাৱ পোৱা যায়, যাৰ বাবে বিবাদবোৰ বাঢ়ি যায়। কিন্তু যদি আল্লাহৰ নৈকট্য লাভ কৰিবলগীয়া হয়, তেন্তে ইয়াৰ পৰা মুক্তি পোৱা যায়। আনকি কিছুমানে ক্ষতি কৰিবলৈও চেষ্টা কৰে, কেতিয়াবা ভুল অভিযোগ কৰে যে অমুক ঠাইত আমাৰ কাজিয়া হৈছিল, অমুক ঠাইত সি মোক বেয়া কৈছিল, গতিকে এতিয়া মই তাক যিকোনো প্ৰকাৰে কোনো মিছা গোচৰত বা কোনো শাস্তিত লিপ্ত কৰাৰ চেষ্টা কৰিম।

তেখেতে কৈছে, অহংকাৰীয়ে খোদাৰ সিংহাসনত বহিব খোজে। গতিকে এই কুৎসিত স্বভাৱৰ পৰা সদায় আশ্ৰয়ৰ প্ৰাৰ্থনা কৰা। খোদাৰ সকলো প্ৰতিশ্ৰুতি তোমাৰ লগত থাকিলেও, প্ৰতিশ্ৰুতিসমূহৰ পিছতো নম্ৰতা প্ৰদৰ্শন কৰা, কিয়নো নম্ৰতা প্ৰদৰ্শন কৰা জনেই ঈশ্বৰৰ প্ৰিয় হয়।

এবাৰ হুজুৰ (আঃ)-ক সোধা হৈছিল যে, হুজুৰ! হাদীছত পোৱা যায় যে সকলো নবীয়েই ছাগলী চৰাইছিল। আপুনিও কেতিয়াবা চৰাইছিল নেকি? হুজুৰ (আঃ)-এ কৈছিল হয়! মই এবাৰ বাহিৰলৈ পথাৰলৈ গৈছিলোঁ, তাত এজন মানুহে ছাগলী চৰাই আছিল। তেওঁ কৈছিল যে মই এটা কামত গৈ আছো, আপুনি অলপ মোৰ ছাগলীবোৰ চকু ৰাখিব। কিন্তু তেওঁ এনেকৈ গ’ল যে গধূলিহে ঘূৰি আহিল আৰু তেওঁ অহালৈকে মই তেওঁৰ ছাগলীবোৰ চৰাব লগা হৈছিল।

হজৰত মছীহ মাওউদ (আঃ)-ৰ ঘৰৰ কোনো কাম কৰিবলৈ কেতিয়াও কোনো সংকোচ নাছিল। বিচনাবোৰ নিজেই পাৰি লৈছিল, মজিয়া চাফা কৰি লৈছিল। বিচনা তৈয়াৰ কৰি লৈছিল। যেনেকুৱা খাদ্যই নহওক কিয়, তেখেতে নিজেই খাইছিল। তেখেতে কেতিয়াও কাৰো সৈতে তুচ্ছতাচ্ছিল্য কৰি কথা পতা নাছিল, সদায় সন্মানেৰে নম্ৰতাৰে কথা পাতিছিল। তেখেতৰ মাজত অহংকাৰৰ নাম-গোন্ধও নাছিল।

মৌলৱী মহম্মদ হুছেইন বটালৱী চাহেব যেতিয়া নতুনকৈ দিল্লীৰ পৰা জ্ঞান অৰ্জন কৰি আহিছিল, তেতিয়া সেই সময়ত হুজুৰ (আঃ)-ৰ সৈতে তেওঁৰ এক তৰ্কযুদ্ধ (মুবাহাছা) হৈছিল, য’ত হুজুৰ (আঃ)-এ প্ৰথমতে মৌলৱী চাহেবক তেওঁৰ বিশ্বাসৰ বিষয়ে প্ৰশ্ন কৰিছিল। যেতিয়া মৌলৱী চাহাবে নিজৰ বিশ্বাসৰ কথা ক’লে, তেতিয়া হুজুৰ (আঃ)-এ ক’লে যে, মই আপোনাৰ বিশ্বাসত কোনো আপত্তিজনক কথা বিচাৰি পোৱা নাই, গতিকে আপোনাৰ সৈতে মোৰ কোনো তৰ্কৰ প্ৰয়োজন নাই।

যিসকল লোকে হুজুৰক লগত লৈ গৈছিল তেওঁলোক অতি চিন্তিত হৈ পৰিছিল যে এইদৰে হ’লে আমি লাজত পৰিব লাগিব। কিন্তু হুজুৰে মিছা সন্মানৰ কোনো পৰোৱা নকৰিলে। হুজুৰে নিজেই কৈছে যে মৌলৱী চাহাবৰ বিশ্বাস বা আকিদাবোৰ শুনি তাত কোনো আপত্তিজনক কথা নাছিল, সেইবাবে কেৱল আল্লাহৰ সন্তুষ্টিৰ বাবে তৰ্ক-বিতৰ্ক ত্যাগ কৰা হ’ল। সেই নিশাই আল্লাহ তা’লাই ইলহাম (ঐশ্বৰিক প্ৰেৰণা)ৰ জৰিয়তে ক’লে, তোমাৰ খোদা তোমাৰ এই কাৰ্যত সন্তুষ্ট হৈছে আৰু তেওঁ তোমাক ইমান বৰকত (আশীৰ্বাদ) দিব যে আনকি ৰজাসকলেও তোমাৰ কাপোৰৰ পৰা বৰকত বিচাৰিব।

তেখেতে মৌলৱী মহম্মদ হুচেইন বাটালৱী চাহাবলৈ লিখা এখন চিঠিত নিজৰ চৰম নম্ৰতা প্ৰকাশ কৰিছে, তেখেতে লিখিছে যে এই অধম ব্যক্তিজন এজন উম্মী (নিৰক্ষৰ) আৰু মূৰ্খ মানুহ, না কোনো ইবাদত (উপাসনা) আছে, না কোনো ৰিয়াজত (কঠোৰ তপস্যা) আছে, না কোনো জ্ঞান আছে, না কোনো যোগ্যতা আছে। মুঠ কথা একোৱেই নাই। আল্লাহ তা’লাৰ ফালৰ পৰা এটা আদেশ আহিছিল, আৰু সেয়া আছিল চূড়ান্ত তথা নিশ্চিত, যাক এই অধমে কেৱল বাৰ্তাখিনিহে

পৌঁছাই দিছে; এতিয়া ইয়াক মানি লোৱা বা নোলোৱাটো প্ৰত্যেকৰে নিজৰ মতামত আৰু বুজাবুজিৰ ওপৰত নিৰ্ভৰ কৰে।

যেতিয়া হুজুৰে মছীহৰ (মছীহৰ প্ৰতিৰূপ) হোৱাৰ দাবী কৰিলে, তেতিয়া মৌলৱী মহম্মদ হুচেইন বাটালৱীয়ে তীব্ৰ বিৰোধিতা কৰিলে। অতি অভদ্ৰ বা অশোভনীয় চিঠি লিখিলে। নিজৰ আলোচনী 'ইশাতুচ ছুন্নাহ'তো তেখেতৰ বাবে সভ্যতাৰ বিপৰীত শব্দ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিলে। এই সকলোবোৰৰ পিছতো হুজুৰে ধৈৰ্য্য, সহনশীলতা আৰু নম্ৰতাৰ এক অতি উৎকৃষ্ট দৃষ্টান্ত দাঙি ধৰিলে।

এখন চিঠিত হুজুৰে মৌলৱী মহম্মদ হুচেইন বাটালৱী চাহাবক লিখিছিল যে মোৰ জয় বা পৰাজয়ৰ সৈতে কোনো সম্পৰ্ক নাই, বৰঞ্চ উপাসনা আৰু আদেশ পালন কৰাটো মোৰ উদ্দেশ্য। মই জানো যে এই বিৰোধিতাৰ অন্তৰালত (মৌলৱী চাহাবৰ) নিয়ত বা উদ্দেশ্য ভাল হ'ব পাৰে, কিন্তু মোৰ মতে তেওঁ যদি প্ৰথমে মোৰ সৈতে কথা পাতিলেহেঁতেন আৰু মোৰ কিতাপসমূহ অৰ্থাৎ ৰিছালা ছালাছা 'ফাতহ-ই-ইছলাম', 'তাওজীহ-ই-মৰাম' আৰু 'ইজালা আওহাম' পঢ়ি লোৱাৰ পিছত কিবা লিখিলেহেঁতেন, তেন্তে সেয়া অধিক উত্তম হ'লহেঁতেন। তেওঁৰ দৰে বন্ধুৰে বিৰোধিতা কৰিবলৈ সাজু হোৱাত মোৰ কোনো দুখ বা অনুতাপ নাই। এই মতবিৰোধো সত্যৰ বাবেই হ'ব।

আন এখন চিঠিত তেখেতে মৌলৱী চাহাবক লিখিছিল যে মোৰ মতে, নৈতিকতাৰ সকলো গুণৰ ভিতৰত আল্লাহ তা'লাই নম্ৰতা, সৰলতা আৰু অহংকাৰ-বিৰোধী যিকোনো ধৰণৰ দীনতাক যিদৰে পছন্দ কৰে, চৰিত্ৰৰ আন কোনো গুণক তেওঁ সেইদৰে পছন্দ নকৰে।

হুজুৰ আনোৱাৰে কৈছে তেখেত (আঃ)ৰ প্ৰতিটো কথা আৰু কাম, নম্ৰতাৰ প্ৰকাশেৰে পৰিপূৰ্ণ আছিল। তেখেতৰ কেৱল এটা হেঁপাহ আছিল আৰু সেয়া হ'ল আল্লাহ তা'লাৰ সন্তুষ্টি লাভ কৰা আৰু পৃথিৱীত খোদাৰ একত্ববাদৰ প্ৰসাৰ ঘটোৱা। আমাকো হুজুৰে এই একেই উপদেশ দিছে। আল্লাহ তা'লাই আমাকো এই কথাবোৰ পালন কৰাৰ তৌফিক দান কৰক। আমীন।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اعْمَالِنَا مَن يَّهْدِهِ اللهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لاَ اِلٰهَ اِلاَّ اللهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللهِ رَحِمَكُمُ اللهُ اِنَّ اللهَ يأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللهِ اَكْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 29 May 2026

Nazarat Nashor-O-Ishaat Qadian